# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 06-06-2026 **Time :** 1100 Hrs.

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাত ১২ গৰাকী মন্ত্ৰীয়ে কালি শপতগ্ৰহণৰ পাছতেই সন্ধিয়া অনুষ্ঠিত দ্বিতীয়খন কেবিনেট বৈঠকত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সংবাদমেলত প্ৰকাশ কৰা অনুসৰি অহা সাতদিনৰ ভিতৰত নতুন মন্ত্ৰীসকলক দপ্তৰ বিতৰণ আৰু আজিৰ ভিতৰতে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰকাশ কৰে। কেবিনেটে ৰাজ্য চৰকাৰৰ সকলো কৰ্মচাৰী আৰু পেঞ্চনাৰসকলৰ মৰগীয়া ভাট্টা বৰ্তমানৰ ৫৮ শতাংশৰ পৰা বৃদ্ধি কৰি ৬০ শতাংশ কৰাত অনুমোদন জনায়। এই সিদ্ধান্তৰ ফলত ৰাজ্য চৰকাৰৰ ৮ লাখৰো অধিক কৰ্মচাৰী আৰু পেঞ্চনাৰ তাৎক্ষণিকভাৱে উপকৃত হ'ব।

কেবিনেট বৈঠকত গ্ৰহণ কৰা আন এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি বিধায়ক উন্নয়ন পুঁজিৰ ধন এইবছৰ ডেৰ কোটি টকালৈ আৰু অহা বিত্তীয় বৰ্ষৰ পৰা এই পুঁজি দুই কোটি টকালৈ বৃদ্ধি হ'ব। ২ কোটি টকাৰ ভিতৰত ১০ শতাংশ টকা অন্যান্য ব্যয়ৰ বাবে ধৰা হ'ব। অৰ্থাৎ ১ কোটি ৮০ লাখ টকা মূল পুঁজিৰ বাবে ব্যৱহাৰ হ'ব আৰু ২০ লাখ টকা অন্যান্য কামত খৰচ হ'ব।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰকাশ কৰা অনুসৰি অহা ৬ জুলাইৰ পৰা ২১ দিনৰ বাবে বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বাজেট গৃহীত হোৱাৰ পাছত ১ আগষ্টৰ পৰা ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি পুনৰ নিয়মিতভাৱে কাৰ্যকৰী কৰা হ'ব। কেবিনেটে ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী ডিব্ৰুগড় উন্নয়ন পৰিষদ গঠন কৰি ৰাজধানী চহৰখন ২০ কিলোমিটাৰ ব্যাসাৰ্ধলৈকে উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰে। দ্বিতীয় ৰাজধানী চহখনৰ উন্নয়নৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰাৰ লগতে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনক দ্বিতীয় ৰাজধানীৰ অধ্যক্ষ হিচাপে অনুমোদন জনায়। অধ্যক্ষগৰাকীয়ে কেবিনেট মৰ্যাদা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে। দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ ডিব্ৰুগড়ে দ্বিতীয় ৰাজধানী অঞ্চলৰ উন্নয়নৰ সৈতে জড়িত আঞ্চলিক আৰু ক্ষেত্ৰীয় পৰ্যায়ৰ উন্নয়নৰ পৰিকল্পনা প্ৰস্তুত কৰা, বিকাশ কৰিড'ৰ আৰু নগৰ সম্প্ৰসাৰণ এলেকা চিনাক্ত কৰাৰ দায়িত্ব বহন কৰিব। উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ হিচাপে স্থানীয় বিধায়কগৰাকীয়ে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ সচিবগৰাকী উপাধ্যক্ষ হিচাপে থাকিব।

একেদৰে ডিব্ৰুগড় জিলা আয়ুক্তগৰাকী সদস্য সচিব হিচাপে আৰু দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়া, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত আৰু ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকী সদস্য হিচাপে থাকিব। ইয়াৰ লগতে জিলাখনৰ সকলো বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকল পদেন সদস্য হিচাপে থাকিব।

ইপিনে, মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ৰঙাপৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী আৰু নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈক মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব হিচাপে নিযুক্তি দিয়ে।

০০০০০০০

অসমীয়া চলচ্চিত্ৰ জগতৰ এগৰাকী যশস্বী সংগীত পৰিচালক আৰু কণ্ঠশিল্পী ৰমেন বৰুৱাৰ আজি ওপজা দিন। এইগৰাকী প্ৰথিতযশা শিল্পীয়ে ১৯৫৯ চনত মুক্তি পোৱা নিপ বৰুৱাৰ ছবি **আমাৰ ঘৰ**ৰ যুটীয়া সংগীত পৰিচালক হিচাপে ছবিৰ সংগীত পৰিচালনাত জড়িত হৈ পৰিছিল। পৰৱৰ্তী সময়ত অৰ্থাৎ ১৯৬৯ চনত তেওঁ **ড০ বেজবৰুৱাত** প্ৰথমবাৰলৈ স্বাধীনভাৱে সংগীত পৰিচালনা কৰে। দুখন বাংলা ভাষাৰ ছবিকে ধৰি মুঠ ২৭ খন ছবিত তেওঁ স্বাধীনভাৱে সংগীত পৰিচলনা কৰিছিল। ৰমেন বৰুৱা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী আৰু সুৰকাৰ। তেওঁ কেশৱ মহন্ত, অজিত বৰুৱা, নৰকান্ত বৰুৱা, সতীশ দাস আদি ভালেসংখ্যক গীতিকাৰৰ গীতত সুৰ কৰিছিল। অনিমা  চৌধুৰী, পাহাৰী দাস, যুথিকা চৌধুৰী, নীলিমা খাতুন, কবিতা বৰঠাকুৰ, ৰুণজুন ফুকন আদি কণ্ঠশিল্পীক তেওঁ ছবিৰ নেপথ্য গায়িকা হোৱাৰ প্ৰথম সুযোগ দিছিল। ভাৰতীয় গণনাট্য সংঘৰ এগৰাকী অগ্ৰণী কৰ্মী ৰমেন বৰুৱাৰ ওপজা দিনটো আজি গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব।

০০০০০০০

চণ্ডিগড়ৰ মোল্লানপুৰৰ মহাৰাজা যাদৱীন্দৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত চলি থকা ভাৰত আৰু আফগানিস্তানৰ মাজৰ টেষ্ট মেচত ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰি আছে।  যশস্বী জয়ছোৱাল আৰু কে এল ৰাহুলে অ'পেনিং কৰিছে। উল্লেখযোগ্য যে ২০১৮ চনৰ পাছৰ পৰা এয়া হৈছে ভাৰত আৰু আফগানিস্তানৰ মাজৰ প্ৰথমখন টেষ্ট মেচ। শুভমন গীলে ভাৰতীয় দলটোক নেতৃত্ব দিছে।

দীৰ্ঘদিনৰ অন্তত ভাৰত ভ্ৰমণ কৰা দলটোৱে একমাত্ৰ টেষ্ট খেলখনৰ উপৰি তিনিখনীয়া এদিনীয়া শৃংখলাতো ভাগ ল'ব। খেলকেইখন ক্ৰমে অহা ১৩, ১৭ আৰু ২০ জুনত অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**